Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# Promoting the reading environment

# পঠন পৰিৱেশ উন্নীতকৰণ






Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

BY SA
http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge. TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon:*  *. This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 EE08v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটে আনন্দৰ বাবে পঠনৰ ওপৰত আলোকপাত কৰিছে। যদি ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী পঠনক কেৱল মাত্ৰ ভাষাৰ অনুশীলন আৰু পৰীক্ষাৰ মাজতে সীমাবদ্ধ কৰি লয় বা জড়িত কৰে, তেনেহ'লে তেওঁলোকে আশা কৰা মতে বেছি ইংৰাজী শিকিব নোৱাৰে। কিন্তু তেওঁলোকে যদি ইংৰাজী পঠনক আনন্দদায়ক পঠন হিচাপে আকোঁৱালি লয় বা আনন্দদায়ক পঠনৰ লগত নিজকে জড়িত কৰি লয়, তেওঁলোক আজীৱন স্বইচ্ছাই পাঠক বা পঢ়ুৱৈ হ'ব পাৰিব।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী আৰু অসমীয়াত পঢ়িবলৈ শিকিব। যিকোনো এটা ভাষা পঠনৰ বাবে ধাৰণা আৰু পদ্ধতিবোৰৰ আলোচনা প্ৰাসংগিক। সেয়েহে আপুনি যেতিয়াই এই গোটৰ জৰিয়তে পঢ়াব, অসমীয়া আৰু স্থানীয় ভাষাক আনকি ইংৰাজীক আনন্দময় পঠন কৰি তুলিবলৈ কৰিবলগীয়া ত্ৰি য়া-কলাপসমূহৰ বাবে কেনেকৈ যত্ন কৰিব ভাবক। আপোনাৰ শ্ৰেণীত বিভিন্ন দক্ষতাৰ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচিত কৌশলবোৰ কেনেকৈ ফলপ্ৰসূ কৰি তুলিব সেই বিষয়েও ভাবক।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- ইংৰাজীত পঠনৰ আনন্দৰ বাবে পঠনক উন্নীত কৰিব পাৰিব
- শ্ৰেণী পুথিভঁৰাল এটা গঢ়ি তুলিব পাৰিব
- ছাত্ৰ-ছাত্ৰীৰ বাবে পঠনৰ এজন আদৰ্শ ব্যক্তি হ'ব পাৰিব

## ১) পঠনৰ এটা পৰিৱেশ গঢ়ি তোলা (1 Providing a reading environment)

আনন্দৰ বাবে পঠনক উন্নত কৰিবলৈ ইতিমধ্যে আপুনি কৰা কাৰ্যৰ বিষয়ে চিন্তনৰ দ্বাৰাই আৰম্ভ কৰক।

### ত্ৰি য়া-কলাপ ১ ঃ পঠনৰ বাবে আপোনাৰ ছাত্ৰ-ছাত্ৰীক অভিৰুচিত বা আগ্ৰহান্বিত কৰা (Activity 1: Motivating your students to read)

আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতাৰ স্তৰ যিয়েই নহওক লাগিলে, তেওঁলোকক নিয়মিতভাৱে আনন্দদায়ক পঠন অভিজ্ঞতাৰ সুযোগ দিয়াটো এটা ভাল অনুশীলন। স্বাভাৱিক প্ৰয়োজনীয়তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী পঠনৰ প্ৰতি অভিৰুচিত হোৱাটো গুৰুত্বপূৰ্ণ। আপুনি ল'ব পৰা পাঁচোটা মূল ত্ৰি য়া-কলাপ ইয়াত দিয়া হ'ল —

১. আপুনি ছাত্ৰ-ছাত্ৰীক দেখুৱাওক যে আপুনি নিজেই এজন পঢ়ুৱৈ। আপুনি কি পঢ়ি ভাল পায় সেইবিষয়ে ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতক আৰু পঢ়ি ভাল লগা কোনো উদাহৰণ বা অভিজ্ঞতাৰ বিষয়ে তেওঁলোকৰ লগত আলোচনা কৰক।
২. আপোনাৰ শ্ৰেণীকোঠাত থকা কিতাপৰ সৈতে পঠনৰ এটা পৰিৱেশ গঢ়ি তোলক।
৩. পৰীক্ষা বা ভাষা শিকনৰ বাবে নহয়, আনন্দৰ বাবে শ্ৰেণীত ডাঙৰ ডাঙৰকৈ পঢ়াৰ সময় উলিৱাওক।
৪. ছাত্ৰ-ছাত্ৰীয়ে কি পঢ়ি ভাল পায় আৰু কি পঢ়ি ভাল নাপায় সেইবিষয়ে তেওঁলোকৰ লগত কথা পাতক।
৫. আপোনাৰ শ্ৰেণীকোঠাত স্বতন্ত্ৰ পঠনৰ বাবে সময় উলিয়াওক।

তলৰ মূল কথা পাঁচোটা পুনৰীক্ষণ কৰক -

- ইয়াৰে কোনটো ইতিমধ্যে আপুনি কৰিছে বুলি ভাবে?
- আপোনাৰ শ্ৰেণীকোঠাত ইয়াৰে কোনটো বেছিকৈ কৰিব পাৰে বুলি ভাবে?
- এই কথাবোৰ শ্ৰেণীত ব্যৱহাৰ কৰিবৰ বাবে আপোনাক কিমান পৰিৱৰ্তনৰ প্ৰয়োজন হ'ব?
- অসমীয়া পঠনত আপুনি এই ত্ৰি য়া-কলাপবোৰ ইতিমধ্যে কৰিবও পাৰে। এই ত্ৰি য়া-কলাপবোৰ ইংৰাজী পঠনৰ ক্ষেত্ৰত কেনেকৈ ব্যৱহাৰ কৰিব পাৰে?

পাছৰ মাহত আপোনাৰ শ্ৰেণীত ইয়াৰে কোনটো ত্ৰি য়া-কলাপ কৰাবৰ বাবে চেষ্টা কৰিব সিদ্ধান্ত লওক। আপোনাৰ শ্ৰেণীকোঠাত এই পৰিৱৰ্তনবোৰ আনিবলৈ আপোনাৰ লগত সহযোগ কৰিবৰ বাবে আপুনি আন শিক্ষকসকলৰ লগত কথা পাতিব। শ্ৰেণীকোঠাৰ শিকনৰ ক্ষেত্ৰত আপোনাৰ পৰিৱৰ্তনৰ প্ৰভাৱৰ বিষয়ে ভবাত আৰু অভিৰুচিত কৰাত আপোনাৰ অভিজ্ঞতাৰ বিষয়ে আন শিক্ষকৰ লগত কৰা আলোচনাই আপোনাক সহায় কৰিব।

ঘটনা অধ্যয়ন ১ ত এজন শিক্ষকে শ্ৰেণীকোঠাত পঠনৰ অনুপ্ৰেৰণা যোগাবলৈ কিছু পৰিৱৰ্তন অনাৰ বাবে চেষ্টা কৰে।

### ঘটনা অধ্যয়ন ১ ঃ শঙ্কৰ কলিতাই নিজৰ ভূমিকাৰ বিষয়ে ভাবিছে (Case Study 1: Shankar Kalita reflects on his role)

শঙ্কৰ কলিতাই এখন চৰকাৰী বিদ্যালয়ত পঞ্চম শ্ৰেণীত পঢ়ায়।

কোনো আনুষ্ঠানিক শিক্ষা নথকা পৰিয়ালৰ পৰা মোৰ বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকল আহে। মই ইংৰাজী পঢ়ুৱাত বৰ আত্মবিশ্বাসী নহয়, সেইবাবে মই পাঠ্যপুথিখনকে খামোচ মাৰি ধৰি আছিলোঁ। প্ৰকৃততে মই এজন তীক্ষ্ণ পঢ়ুৱৈ , কিন্তু মই মোৰ নিজৰ ভাষাৰ কিতাপহে পঢ়োঁ। মই বাতৰি কাকত, আলোচনী আৰু মাজে মাজে দুই-এটা কবিতা পঢ়ি ভাল পাওঁ। কিন্তু ছাত্ৰ-ছাত্ৰীক মই পঠনৰ এই আনন্দৰ কথা বুজাব পৰা নাছিলোঁ। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে পঠন বুলি ক'লে ইংৰাজী আৰু অসমীয়াৰ পঠন বুলিয়েই বুজি পায়।

ভাস্কৰ মোৰ এজন ছাত্ৰ। তেওঁ এজন খুউব ভাল ফুটবল খেলুৱৈ আৰু ডেভিদ বেক্হামৰ এজন একান্ত ভক্ত, কিন্তু পঠনত তেওঁ অলপ দুৰ্বল। পঠনৰ পিৰিয়দৰ সময়ত তেওঁ পঢ়াতকৈ বেলেগ কামহে কৰে। এই কথাটোৰ বিষয়ে মই গভীৰভাৱে ভাবিছিলোঁ। তেওঁক পঠনৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে কি কৰিব পাৰোঁ? মই কেইখনমান ফুটবল সম্পৰ্কীয় আলোচনী আৰু খবৰ কাগজৰ খেল -শিতান কেইটামান গোটালোঁ। মই সেইবোৰ চেলফ্‌ৰ ওপৰত মুকলিকৈ থলোঁ। ভাস্কৰে যেতিয়া সেইবোৰ দেখিলে তেতিয়া তেওঁ উৎফুল্লিত হৈ সেইকেইখন লৈ পঢ়িবলৈ ধৰিলে। কেইদিনমানৰ পাছত মই তেওঁক মন কৰিলোঁ যে বেলেগ ছাত্ৰ-ছাত্ৰীৰ লগত তেওঁ বাতৰি কাকত পঢ়িবলৈ লৈছে আৰু বতৰৰ খবৰো চাইছে। যেতিয়া মই তেওঁলোকক দেখুৱাই দিলোঁ যে আলোচনী আৰু বাতৰি কাকতবোৰত তেওঁলোকে কিছুমান ইংৰাজী শব্দ বিচাৰিব পাৰে, তেতিয়া তেওঁলোকে শব্দ বিচাৰিবলৈ আৰম্ভ কৰিলে। ছাত্ৰ-ছাত্ৰীয়ে নিজেই পঢ়াত আগ্ৰহী হোৱা মনোভাৱক প্ৰভাৱান্বিত কৰিব পৰাকৈ এজন শিক্ষক হিচাপে মই মোৰ ভূমিকা যথাৰ্থভাৱে বুজি পোৱা নাছিলোঁ। এতিয়া মোৰ ছাত্ৰ-ছাত্ৰীক দেখুৱাব বিচাৰোঁ যে মই এজন পাঠক । মই ঘৰত কি পঢ়ি আছোঁ এই কথাটো প্ৰায়ে তেওঁলোকক জনাওঁ। কেতিয়াবা বাতৰি কাকত নাইবা আলোচনীত থকা কিছুমান কথা কওঁ, আনকি কেতিয়াবা বিজ্ঞাপনত দেখা কথাও কওঁ। আজিকালি মই ছাত্ৰ-ছাত্ৰীৰ লগত পঠনৰ বিষয়ে কথা বাৰ্তা পাতোঁ আৰু তেওঁলোকে কি পঢ়ি ভাল পাই সেইটো জানিবলৈ যত্ন কৰোঁ।

### চিন্তন (Pause for thought)

- খেলৰ আলোচনী বা বাতৰি কাকতক পঠন সামগ্ৰী হিচাপে শ্ৰেণীকোঠাত দিয়াটো সঠিক হৈছে বুলি আপুনি ভাবেনে? কিয় ভাবে বা কিয় নাভাবে?
- ইংৰাজী বা বেলেগ যিকোনো ভাষাত আপুনি নিজে কি কি পঢ়ি ভাল পায়? কবিতা, উপন্যাস, জীৱনী, বাতৰি কাকত, তথ্য সমৃদ্ধ কিতাপ - নে বেলেগ কিবা?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজে কি পঢ়ি আনন্দ পায় বুলি আপুনি ভাবে? ইংৰাজীত নে আন আন ভাষাত?
- আপুনি আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত পঢ়িবলৈ ভাল পোৱা কিবা পাঠ আছে নেকি ? কিয় আছে বা কিয় নাই ?

## ২) কিতাপৰ বাবে এডোখৰ ঠাই সজাই তোলা (2 Making a book area)

২ নং ঘটনা অধ্যয়নত এজন শিক্ষকে শ্ৰেণীকোঠাৰ পঠন পৰিৱেশ উন্নত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰে।

### ঘটনা অধ্যয়ন ২ ঃ শান্তা গোঁহায়ে কিতাপৰ বাবে এটুকুৰা ঠাই সজাই ল'লে (Case Study 2: Shanta Gohain makes a book area)

শান্তা গোঁহাই হৈছে সহ শৈক্ষিক চৰকাৰী প্ৰাথমিক বিদ্যালয়ত পঞ্চম শ্ৰেণীত পঢ়ুৱা এজন শিক্ষক।

মোৰ ছাত্ৰ-ছাত্ৰীৰ বেছিভাগৰে ঘৰত কোনো কিতাপ পত্ৰ নাই। যদিও সপ্তাহত এদিন বিদ্যালয়ৰ পুথিভঁৰাল খোলাৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে তাৰ পৰা কিতাপ নিয়াৰ সুবিধা আছে, তেওঁলোক কিন্তু পঠনৰ প্ৰতি আগ্ৰহী নহয়। মই মোৰ শ্ৰেণীকোঠাতো চালোঁ। ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পৰাকৈ ইয়াত মাত্ৰ কেইখনমানহে কিতাপ আছিল। তদুপৰি এই কিতাপবোৰ এটা কাপবোৰ্ডৰ ভিতৰত থোৱা আছিল বাবে সহজতে দেখাও পোৱা নগৈছিল। মই এইটো সলনি কৰাৰ সিদ্ধান্ত ল'লোঁ।

প্ৰথমতে শ্ৰেণীত মই কিতাপৰ সংখ্যা বঢ়ালোঁ। মোৰ সহকৰ্মীসকলৰ পৰাও অতিৰিক্ত দুই-এখন কিতাপ গোটালোঁ। মোৰ বছৰেকীয়া

ভাট্টাৰ গোটেই ধনৰাশি শিকন-শিক্ষণ সামগ্ৰীত খৰচ কৰাৰ সিদ্ধান্ত ল'লো। 'নেচ'নেল বুক ট্ৰাষ্ট' আৰু 'চিলড্ৰেন্চ বুক ট্ৰাষ্ট'ৰ পৰা মই কম দামত পোৱা বহুতো কিতাপ কিনিলোঁ। ছাত্ৰ-ছাত্ৰীৰ সহায়ত মই আলোচনীৰ ছবি আৰু নোট বহী লৈ কিছুমান গল্প কিতাপো প্ৰস্তুত কৰিলোঁ। কিতাপ নিৰ্বাচন আৰু প্ৰস্তুত কৰোঁতে মোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সেইবোৰ আকৰ্ষণীয় কৰিবলৈ চেষ্টা কৰিছিলোঁ। মই ছবি থকা কিতাপ, ন-পঢুৱৈয়ে সহজতে পঢ়িব পৰা কিতাপ, হিতোপদেশ আৰু লোককথাৰ কিতাপ, তথ্য সমৃদ্ধ কিতাপ, গাজা আৰু সাঁথৰৰ কিতাপ, পদ্যৰ কিতাপ, কমিক্চ (স্পাইদাৰ মেনকে ধৰি) খেল ধেমালিৰ কিতাপ আৰু সামগ্ৰী প্ৰস্তুতৰ কিতাপ - এই সকলোধৰণৰ কিতাপেই অন্তৰ্ভুক্ত কৰিছিলোঁ। বিদ্যালয়ৰ পুথিভঁৰালৰ পৰা মই শিশু আলোচনীও লৈছিলোঁ। নীতি শিক্ষাৰ কাহিনী মই লোৱা নাছিলোঁ। কাৰণ অভিজ্ঞতাৰ পৰা দেখিছিলোঁ যে এইবোৰে ছাত্ৰ-ছাত্ৰীক বিৰক্ত কৰে। যি কি নহওক কিছুমান গুৰুত্বপূৰ্ণ বাৰ্তা থকা কাহিনী মই সাৱধানেৰে নিৰ্বাচন কৰিছিলোঁ। উদাহৰণস্বৰূপে, ছাত্ৰ আৰু শিক্ষকৰ অসংবেদনশীলতাৰ বাবে এজন জনজাতীয় ল'ৰাই বিদ্যালয়ত প্ৰথম কেইদিনমান পোৱা সমস্যাৰ বিষয়ে 'শিশু পুথি ন্যাসে' প্ৰকাশ কৰা এখন কিতাপ আৰু অন্য এখন 'কথা কওঁতে লাগি ধৰা' ল'ৰা এজনক হাৰাশাস্তি কৰাৰ কাহিনীৰ কিতাপ। আমাৰ শ্ৰেণীকোঠাৰ এটা কোণত পঠনৰ ঠাই আৰু কিতাপৰ আলমাৰীৰ সৈতে এটা 'সৰু পুথিভঁৰাল' গঢ়ি তোলটো আছিল মোৰ দ্বিতীয় কাম। এই পুথিভঁৰালটো মই ক'ত পাতিম সেইবিষয়ে ছাত্ৰ-ছাত্ৰীৰ পৰা পৰামৰ্শ বিচাৰিছিলোঁ। প্ৰথমতে তেওঁলোকে পুথিভঁৰালৰ বাবে কোঠাতো বহুত সৰু হ'ব বুলি ভাবিছিল। কিন্তু যেতিয়া আমি শ্ৰেণীকোঠাৰ সকলোবোৰ সামগ্ৰী ইফাল-সিফাল কৰি পুনৰ সজালোঁ, তেতিয়া দেখিলোঁ যে সকলোবোৰ সামগ্ৰী সুন্দৰকৈ খাপ খাই পৰিছে। মাটিত বহি পঢ়িব পৰাকৈ মই পুথিভঁৰাল থোৱা কোণটোত এখন কঠ পাৰি দিলোঁ। পঠনত উৎসাহিত কৰিবৰ বাবে মই কিছুমান আকৰ্ষণীয় পোষ্টাৰ কিতাপৰ আলমাৰীৰ বাহিৰত থলোঁ। এখন চকী মোৰ বাবে আৰু অন্য এখন চকী এজন ছাত্ৰৰ বাবে, যিজনে ডাঙৰকৈ পঢ়ি আনসকলক পঢ়ুৱাব পাৰে। (চিত্ৰ ১)



চিত্ৰ ১ - শান্তা গোঁহাইৰ শ্ৰেণী পুথিভঁৰাল

ছাত্ৰ-ছাত্ৰীসকলে বিশেষ স্থান হিচাপে সেই কোণটো ব্যৱহাৰ কৰিছিল। কিতাপ থকা সেই কোণটোৰ বিষয়ে তেওঁলোকে এনে এটা ধাৰণা লৈছিল যে কিতাপ বৰ মূল্যৱান; গতিকে শ্ৰেণীকোঠাৰ পৰা সেই ঠাইডোখৰত অলপ পৃথকে ৰখা ভাল। ছাত্ৰ-ছাত্ৰীসকলে সেই পুথিভঁৰাল অলপ বেছি সময় ব্যৱহাৰ কৰিব পাৰিবনে মোক বহুৱাৰ সুধিছিল। তেওঁলোকে সেই ঠাইডোখৰত যেতিয়া পঢ়ি থাকে তেতিয়া খাব পাৰিবনে নাই সেইটোও মোক সুধিছিল।

## চিন্তন (Pause for thought)

- শান্তা গোঁহাইৰ শ্ৰেণী পুথিভঁৰালৰ পঠন সামগ্ৰীসমূহ ক'ৰ ক'ৰ পৰা অনা হৈছিল?
- এই উৎসসমূহ আপুনি ব্যৱহাৰ কৰিব পৰা সুবিধা আছেনে?

- পঠনৰ সময়ত ছাত্ৰ-ছাত্ৰীক খাবলৈ দিয়াটো উচিত হৈছে বুলি আপুনি ভাবেনে? কিয় উচিত বা কিয় উচিত নহয়?

## ত্ৰি য়া-কলাপ ২ঃ আপোনাৰ শ্ৰেণীকোঠাৰ চাৰিওফালে চাওক- এক পৰিকল্পিত ত্ৰি য়া-কলাপ (Activity 2: Look around your classroom – a planning activity)

আপোনাৰ শ্ৰেণীকোঠাৰ চাৰিওফালে চাওক আৰু চিত্ৰ ২ ত দেখুওৱাৰ দৰে এচুকত এটা পুথিভঁৰাল সজাই তুলিবৰ বাবে ঠাইখিনি কেনেকৈ উলিয়াব চিন্তা কৰক। তলত দিয়া বস্তুবোৰেৰে এখন তালিকা প্ৰস্তুত কৰক —

- স্থানীয় পুথিভঁৰালৰ পৰা আপুনি পাব পৰা কিতাপ
- আপুনি প্ৰস্তুত কৰিব পৰা কিতাপ
- আন শিক্ষক, বন্ধু আৰু পৰিয়ালৰ পৰা আপুনি পাব পৰা আলোচনী, বাতৰি কাকত আদি
- কিতাপ সম্পৰ্কীয় পোষ্টাৰ
- যিকোনো অন্যান্য পঠন সামগ্ৰী




চিত্ৰ ২ - শ্ৰেণীত কিতাপৰ এলেকাৰ উদাহৰণ

পঠনৰ বাবে সমলবোৰৰ বিনিময় কৰি আপোনালোকে কেনেকৈ কাম কৰিব পাৰে সেই বিষয়ে লগৰ শিক্ষকৰ লগত কথা পাতক।

আগ্ৰহ আৰু দক্ষতা বৰ্দ্ধনৰ বাবে সমল প্ৰস্তুত কৰি অধিক শিকিবৰ বাবে সমল ১ চাওক।

## ৩) ছাত্ৰ-ছাত্ৰীৰ পঠন (3 The students' reading)

এতিয়া তলৰ ত্ৰি য়া-কলাপবোৰ কৰিবলৈচেষ্টা কৰি চাওক

## ত্ৰিয়া-কলাপ ৩ ঃ পঠনৰ বিষয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতক (Activity 3: Talk to your students about reading)

প্ৰথমতে ২ নং ত্ৰিয়া-কলাপ কৰি কিতাপৰ এখন তালিকা প্ৰস্তুত কৰক নাইবা শ্ৰেণী এটাত সৰু পুথিভঁৰাল গঢ়ি তুলিবৰ বাবে অন্যান্য পঠন সামগ্ৰীৰ এখন তালিকা প্ৰস্তুত কৰক।

আপুনি যে শ্ৰেণীকোঠাত এটা কিতাপৰ এলেকা গঢ়ি তুলিবলৈ বিচাৰিছে সেইবিষয়ে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীত কওক। তলৰ প্ৰশ্নবোৰ ব'ৰ্ডত লিখি - দিয়ক।

- তোমালোকে কি কি কিতাপ পঢ়িছা?
- তোমাৰ কোনকেইখন কিতাপ ভাল লাগিল আৰু কিয় ভাল লাগিল?
- কেনেকুৱা কিতাপ পঢ়িবলৈ তুমি ভাল পোৱা?
- তুমি পঢ়ি ভালপোৱা অন্য কিবা আছে নেকি, কম্পিউটাৰৰ উপলক্ষ্য কিতাপও হ'ব পাৰে?

যুৰীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলক ভাগ কৰক আৰু আপুনি ব'ৰ্ডত লিখি দিয়া প্ৰশ্নবোৰ ইজনে-সিজনক সুধিবলৈ দিয়ক। এইটো কৰিবলৈ তেওঁলোকক কেইমিনিটমান সময় দিয়ক আৰু তাৰপাছত পুনৰ সকলোকে একেলগ কৰক। উত্তৰত তেওঁলোকে প্ৰকাশ কৰা ভাববোৰ ব'ৰ্ডত লিখি যাওক।

পাঠৰ শেষত তেওঁলোকৰ ভাববোৰ একত্ৰিত কৰক। আপোনাৰ তালিকাৰ লগত সেইবোৰ তুলনা কৰক। আপোনাৰ লগত সেইবোৰ মিলিছেনে বাৰু? আপুনি কি বিচাৰি পালে?

এনেবোৰ তথ্যই আপোনাক প্ৰতিজন ছাত্ৰকে পঢ়ুৱৈ হিচাপে সমৰ্থন দিয়াত কেনেকৈ সহায় কৰিব?

পাছৰ কেইসপ্তাহমানত আপোনাৰ পঠন সামগ্ৰীবোৰ গোটাওক। পুথিভঁৰালৰ বাবে কিবা নিয়ম থাকিবনে? পুথিভঁৰালৰ বিষয়ে পিতৃ-মাতৃসকলক ক'বনে? আপুনি তেওঁলোকক সহায়ৰ বাবে ক'বনে? আপোনাৰ কিতাপৰ এলেকা আৰম্ভ কৰাৰ দিনটো অনুষ্ঠুপীয়াকৈ উদ্‌যাপনৰ বাবে পৰিকল্পনা কৰিবলৈ আপুনি ছাত্ৰ-ছাত্ৰীসকলক ক'ব পাৰে।

আপুনি পঠন কোণটো বিভিন্ন ধৰণেৰে ব্যৱহাৰ কৰিব পাৰে। পঠন সামগ্ৰী নিৰ্বাচন কৰোঁতে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা আৰু ৰুচিবোধৰ বিভিন্নতালৈ মন কৰিব। উদাহৰণস্বৰূপে, বিশেষ প্ৰতিভাশালী এজন ছাত্ৰ বা ছাত্ৰীয়ে প্ৰত্যাহ্বান থকা কিতাপ পঠনত বেছি আমোদ পাব। ঠিক তেনেকৈ পঠনত সমস্যা থকা ছাত্ৰ-ছাত্ৰীৰো নিজৰ স্তৰ অনুযায়ী পঠনত সক্ষম হ'বৰ বাবে আত্মবিশ্বাস বঢ়াই তুলিব। সহকৰ্মী আৰু ডাঙৰ ছাত্ৰ-ছাত্ৰীৰ সহায়ত আপুনি তেওঁলোকৰ পঠনৰ পৰিপূৰক কৰ্ম তালিকা (Worksheet) প্ৰস্তুত কৰিব পাৰে।

এটা পঠন কোণে আপোনাক শ্ৰেণীকোঠাৰ নিয়ন্ত্ৰণতো সহায় কৰিব। যদি আপোনাৰ শ্ৰেণীত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থাকে তেতিয়া আপুনি এটা দলক পঠন কোণত অকলে পঢ়িবলৈ দি আনটো দলৰ লগত কাম কৰি থাকিব পাৰে। নাইবা এটা দলক অকলে কাম কৰিবলৈ দি আপুনি পঠন কোণত ছাত্ৰ-ছাত্ৰীৰ দলটোৰ লগত থাকিব পাৰে। অৱশ্যে স্বতন্ত্ৰীয়াকৈ শৃংখলাবদ্ধভাৱে কাম কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক কিছু সময়ৰ প্ৰয়োজন হ'ব যদিহে তেওঁলোকে আগতে এনেদৰে কৰা নাই। কিন্তু নিৰ্দিষ্ট নিয়ম আৰু নিৰ্দেশনাৰ দ্বাৰা তেওঁলোকে এইটো কৰিবলৈ শিকিব পাৰে।

### ভি.ডি.অ' ঃ সকলোকে জড়িত কৰা (Video: Involving all)

পৰৱৰ্তী ত্ৰিয়া-কলাপত ডাঙৰকৈ পঢ়াৰ বিষয়ে কোৱা হৈছে।

ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিক্ষকক অনুসৰণ কৰিবলৈ কিমান ভাল পায় আপুনি ভালকৈয়ে জানে। আপুনি যিটোকে ক'ব আৰু কৰিব, তেওঁলোকেও তাকেই ক'ব আৰু কৰিব। আপুনি যেতিয়া ডাঙৰকৈ পঢ়িব তেতিয়া আপুনি পঠন আনন্দৰ বাবে আৰ্হি হৈ পৰিব। ডাঙৰকৈ পঢ়া আৰু ছাত্ৰ-ছাত্ৰীৰ ডাঙৰকৈ পঢ়াৰ অভ্যাসে আপোনাক আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজী উচ্চাৰণ ভাল হোৱাত সহায় কৰিব।

## ত্রি য়া-কলাপ ৪ ঃ ভাব প্ৰকাশেৰে ডাঙৰকৈ পঢ়া (Activity 4: Reading aloud with expression)

আপুনি নিজে ভালকৈ জনা আৰু ছাত্ৰ-ছাত্ৰীয়ে আনন্দ পাব বুলি ভবা এটা চমু ইংৰাজী গল্প বা কবিতা লওক। এইটো পাঠ্যপুথিৰ পৰা নহ'লেও হ'ব। গল্প বা কবিতাটো শ্ৰেণীত ডাঙৰ ডাঙৰকৈ পঢ়ক। তাৰপাছত এজন ছাত্ৰ বা ছাত্ৰীক ডাঙৰকৈ গল্পটো পঢ়ি বাকীসকলক শুনাবলৈ দিয়ক। (চিত্ৰ ৩)

ছাত্ৰ বা ছাত্ৰী এগৰাকীক কিতাপখন ধৰি থাকিবলৈ দিয়ক আৰু শিক্ষকৰ ভাও জুৰিবলৈ কওক। পাঠ্যপুথিৰ সকলো কথা বা অলপ অলপ কথা ছাত্ৰ-ছাত্ৰীৰ মনত থাকিব পাৰে, কিন্তু ভাব প্ৰকাশ আৰু উদ্যমেৰে আপুনি কৰা পঠনক অনুসৰণ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীক সুযোগ দিয়াটোও খুউব ভাল কথা। অন্যান্য ছাত্ৰ-ছাত্ৰীৰ লগত আপুনি বহি লৈ এজন ভাল শ্ৰোতা কেনেকৈ হ'ব পাৰি দেখুৱাওক। পঠনত যদি সমবেতভাৱে কোৰা কিবা অংশ আছে তেনেহ'লে তাতো আপুনি অংশগ্ৰহণ কৰক।




চিত্ৰ ৩ - ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ আগত এজন ছাত্ৰই গল্প পঢ়িছে

এইদৰে ডাঙৰকৈ কৰা পঠন ত্রি য়া-কলাপত অন্য কোনো ভাষাৰ অনুশীলন সংযোগ নকৰিব। কেৱল পঠনৰ আনন্দ আৰু সুখৰ ওপৰতে আলোকপাত কৰক।

ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত যেতিয়া ডাঙৰকৈ পঢ়িবলৈ দিব, পঠন দক্ষতা আৰু আচৰণক আপুনি পৰ্যৱেক্ষণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে কিতাপখন সাৱধানে ধৰিব পাৰিছেনে? তেওঁলোকে স্মৃতিৰ পৰা পঠন বা পুনৰাবৃত্তি কৰিছে নে অলপ অলপকৈ দুয়োটাৰ পৰাই কৰিছে? অন্য ছাত্ৰ-ছাত্ৰীসকলে শুনিছেনে? তেওঁলোকে সঁহাৰি জনাইছেনে?

## ৪) ছাত্ৰ-ছাত্ৰীৰ শব্দ আৰু ছবিৰে কিতাপ প্ৰস্তুতকৰণ (4 Creating books of the students' words and pictures)

এতিয়া তলৰ ত্রি য়া-কলাপটো কৰিবলৈ চেষ্টা কৰক।

## ত্রি য়া-কলাপ ৫ ঃ ছাত্ৰ-ছাত্ৰীৰ শব্দ আৰু ছবিৰে কিতাপ প্ৰস্তুতকৰণ (Activity 5: Creating books of students' words and pictures)

প্ৰথমৰ পৰা চতুৰ্থ শ্ৰেণীৰ বাবে এই ত্রি য়া-কলাপ সুবিধাজনক হ'ব। কিন্তু ওপৰৰ শ্ৰেণীবোৰৰ বাবেও ইয়াক আপুনি উপযোগী কৰি ল'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ নিজা শব্দ ব্যৱহাৰ কৰি কিতাপ প্ৰস্তুত কৰক। যদি আপোনাৰ শ্ৰেণীটো ডাঙৰ তেনেহ'লে আপুনি এসপ্তাহ বা কেইবাদিনো ধৰি এখন ডাঙৰ কিতাপ প্ৰস্তুত কৰিব পাৰে। বিকল্প হিচাপে আপুনি প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবেও কিতাপ প্ৰস্তুত কৰিব পাৰে।

- আলোচনীৰ চিত্ৰ কাটি বা ছাত্ৰ-ছাত্ৰীয়ে অংকণ কৰা চিত্ৰ আপোনাৰ প্ৰয়োজন হ'ব। তাৰ লগে লগে কাগজ, কলম, আঠাও

লাগিব।

- ছাত্ৰ-ছাত্ৰীসকলে যে এখন ইংৰাজী কিতাপ প্ৰস্তুত কৰিবলৈ আগবাঢ়িছে, সেইবিষয়ে তেওঁলোকক কওক।
- ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া বা নিজৰ ভাষাৰ ভালপোৱা শব্দৰ বিষয়ে ভাবিবলৈ দিয়ক। তেওঁলোকে নিজৰ শব্দ বন্ধুৰ সৈতে বিনিময় কৰিব পাৰে। তেওঁলোকক শব্দৰ একোখনকৈ ছবি আঁকিবলৈ দিয়ক নতুবা আলোচনীৰ পৰা ছবি কাটি সেইবোৰ ডাঙৰ কাগজত আঠা লগাবলৈ দিয়ক।
- তেওঁলোকৰ প্ৰিয় অসমীয়া আৰু ইংৰাজী শব্দবোৰ ব'ৰ্ডত লিখি দিয়ক। একেলগে তেওঁলোকক ইংৰাজীত তেওঁলোকৰ শব্দবোৰ কোৱাৰ অনুশীলন কৰাওক, আৰু তেওঁলোকে অঁকা ছবি বা আলোচনীৰ পৰা লোৱা ছবিৰ প্ৰসঙ্গতো শব্দবোৰ কোৱাৰ অনুশীলন কৰাওক।
- এতিয়া শব্দৰ ছবিখনত বা ছবি কাৰ্ডত ইংৰাজীত শব্দটো লিখিবলৈ ছাত্ৰ-ছাত্ৰীসকলক কওক। যিসকল ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও বৰ্ণৰ গাঁথনি শিকিব পৰা নাই, তেওঁলোকৰ বাবে শব্দটো আপুনি লিখি দিয়ক।
- (we can read) 'আমি পঢ়িব পাৰো' নামেৰে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তি গত লিখাৰে এখন কিতাপ প্ৰস্তুত কৰক। কিতাপখনৰ প্ৰতিটো পৃষ্ঠাতে ছবিসহ বেলেগ বেলেগ শব্দ থকা উচিত। এইটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবেই হ'ব লাগে। প্ৰতিটো পৃষ্ঠাত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে ইংৰাজীত বাক্য লিখক। যেনে -
    - পাপৰিয়ে 'Ice-cream' শব্দটো পঢ়িব পাৰে
    - সুমনে 'Festival' শব্দটো পঢ়িব পাৰে
    - মুনীয়ে 'Car' শব্দটো পঢ়িব পাৰে
    - দীপ্তিয়ে 'Computer' বুলি পঢ়িব পাৰে

কিতাপবোৰ পঢ়ক আৰু একেলগে ইংৰাজী অনুশীলন কৰক। পিতৃ-মাতৃসকলক শ্ৰেণীকোঠালৈ নিমন্ত্ৰণ জনাওক যাতে ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃৰ আগত কিতাপখন পঢ়িব পাৰে। শ্ৰেণীৰ পুথিভঁৰাল প্ৰস্তুত কৰা কাম ধাৰাবাহিকভাৱে কৰক আৰু পঠনৰ পৰিৱেশ উন্নত কৰক।

আপুনি এই ত্ৰি য়া-কলাপটো উপযোগী কৰি তুলিব পাৰে —

- খাদ্য, পৰিবহন, উদ্ভিদ, পৰিয়াল (Food, transport, plants, family) বা শৰীৰৰ অংগ আদি বিভিন্ন বিষয়ৰ সংগ্ৰহেৰে 'I can read' নামেৰে এখন কিতাপ প্ৰস্তুত কৰক। বেলেগ বেলেগ বাক্য গাঁথনিৰে ইংৰাজীত লিখাৰ অনুশীলন কৰাবলৈ কিতাপখনৰ নাম - What do you like to eat? হ'ব পাৰে য'ত Muni likes to eat rice, Deepti likes to eat mango আদি পৃষ্ঠা হ'ব পাৰে।

### চিন্তন (Pause for thought)

- ওপৰৰ শ্ৰেণীবোৰত এই ত্ৰি য়া-কলাপবোৰ সঠিককৈ কৰাবৰ বাবে কি কৰিব? ছাত্ৰ-ছাত্ৰীক নিজৰ বিষয়বোৰ বাছি ল'বলৈ দিবনে? কি শব্দৰাশিৰ ওপৰত আপুনি আলোকপাত কৰিব?
- সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কিতাপ নাইবা Shared big book ত কিমান ইংৰাজী শব্দ আপুনি শিকাটো আশা কৰে?

## ৫) সাৰাংশ (5 Summary)

আপোনাৰ শ্ৰেণীকোঠাত পঠনৰ এটা ভাল পৰিৱেশ কেনেকৈ গঢ়ি তুলিব তাৰ ওপৰতেই এই গোটত আলোকপাত কৰা হৈছে।

স্বতন্ত্ৰীয়া শিকাৰু গঢ়া আৰু তেওঁলোকৰ শৈক্ষিক সফলতা বৃদ্ধিত যিকোনো ভাষা পঠনৰ এটা নিৰ্ণায়ক ভূমিকা থাকে। শিক্ষাৰ সকলো স্তৰতে এজন ছাত্ৰ-ছাত্ৰীৰ বাবে পঠনেই হৈছে মূল ভেঁটি। ভাল পঠন অভ্যাস ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে অতি গুৰুত্বপূৰ্ণ - কেৱল মাত্ৰ শিক্ষাতেই নহয়, দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে ই অতি গুৰুত্বপূৰ্ণ। ভাল পঠন অভ্যাসৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ চৌদিশৰ পৃথিৱীখনৰ বিষয়ে অধিক জানিব পাৰে আৰু ভাষা তথা অন্য সংস্কৃতিৰ প্ৰতি আগ্ৰহী হৈ উঠে। পঠনে প্ৰ.ৰ সোধা আৰু উত্তৰ বিচৰাত আগবঢ়াই নিয়ে, যিটোৱে ধাৰাবাহিকভাৱে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বৃদ্ধি কৰে।

এই বিষয়ৰ লগত সম্পৰ্ক থকা আন গোটসমূহ হ'ল

- ইংৰাজী বৰ্ণ আৰু ধ্বনি *(Letters and sounds of English)*

- সাধু কথন *(Storytelling)*
- অংশীদাৰী পঠন *(Shared reading)*
- এটা পাঠৰ পৰিকল্পনা *(Planning around a text)*
- পঠন বিকাশ আৰু নিৰীক্ষণ *(Developing and monitoring reading)*

# সমলসমূহ (Resources)

## সমল ১ ঃ সকলোকে জড়িতকৰণ (Resource 2: Involving all)

### সকলোকে জড়িত কৰা কথাটোৱে কি বুজাইছে? (What does it mean to 'involve all'?)

সমাজ আৰু সংস্কৃতিত থকা বিচিত্ৰতা শ্ৰেণীকোঠাত প্ৰতিফলিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা, আগ্ৰহ আৰু দক্ষতা বেলেগ বেলেগ। ছাত্ৰ-ছাত্ৰীসকল বিভিন্নধৰণৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ পৰা আহিছে। এই বিভিন্নতাক আমি অৱজ্ঞা কৰিব নোৱাৰো। বাস্তৱিকতে আমি তেওঁলোকক উৎসাহিত কৰা উচিত, যাতে তেওঁলোকে প্ৰত্যেকেই প্ৰত্যেকৰ বিষয়ে বহুতো শিকিব পাৰে আৰু আমাৰ নিজা অভিজ্ঞতাৰ উপৰি পৃথিৱীৰ জ্ঞান লাভ কৰিব পাৰে। সকলো ছাত্ৰ-ছাত্ৰীৰে শিক্ষাৰ অধিকাৰ আছে আৰু তেওঁলোকৰ স্থিতি, দক্ষতা আৰু ঘৰুৱা অৱস্থা (background) নিৰ্বিশেষে শিকনৰ সুযোগ পোৱাৰ অধিকাৰ আছে। এইটো ভাৰতীয় আইন আৰু আন্তঃৰ্জাতিক শিশু অধিকাৰ আইনৰ দ্বাৰা স্বীকৃত। ২০১৪ চনত জাতিৰ প্ৰতি দিয়া প্ৰথমটো ভাষণতে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী মোদীয়ে জাতি, লিংগ আৰু আয় নিৰ্বিশেষে সকলো নাগৰিকৰে মূল্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰত স্কুল আৰু শিক্ষকসকলৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। আমাৰ সকলোৰে অন্যৰ প্ৰতি এটা সংস্কাৰমুখী দৃষ্টিভংগী আছে যিটোক আমি হয়তো কেতিয়াও বিবেচনা কৰি চোৱা নাই।

শিক্ষক হিচাপে, প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিক্ষা অভিজ্ঞতাৰ ওপৰত ইতিবাচক বা নেতিবাচক প্ৰভাৱ পেলাব পৰাৰ ক্ষমতা আপোনাৰ আছে। জানিয়েই হওক বা নজনাকৈয়ে হওক, আপোনাৰ এনে সংস্কাৰমুখী দৃষ্টিভংগীয়ে ছাত্ৰ-ছাত্ৰীক সমানভাৱে শিকাৰ ক্ষেত্ৰত ক্ষতি কৰিব পাৰে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অসমানতাপূৰ্ণ আচৰণৰ বিপক্ষে ৰক্ষক হিচাপে আপুনি পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

### শিকনত সকলোকে জড়িতকৰণৰ তিনিটা মূলনীতি (Three key principles to ensure you involve all in learning)

- **মনোযোগ দিয়া (Noticing)** ঃ ফলপ্ৰসূ শিক্ষকসকল পৰ্যৱেক্ষক, অনুভূতিশীল আৰু সংবেদনশীল। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰ লক্ষ্য কৰি থাকে। আপুনি যেতিয়া সৰ্তক নিৰীক্ষক হয় তেতিয়া এজন ছাত্ৰই কিবা এটা ভাল কৰে, কেতিয়া তেওঁলোকক সহায়ৰ প্ৰয়োজন হয় আৰু তেওঁলোকে কেনেকৈ অন্যৰ লগত সম্পৰ্ক কৰিছে, এই সকলোবোৰ কথা লক্ষ্য কৰিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তনবোৰৰ প্ৰতিও আপুনি অনুভূতিশীল হ'ব পাৰে। তেওঁলোকৰ ঘৰুৱা পৰিৱেশৰ কাৰণে বা অন্য কাৰণতো পৰিৱৰ্তন প্ৰতিফলিত হ'ব পাৰে। সকলোকে জড়িত কৰা মানে হৈছে আপুনি দৈনিক ছাত্ৰ-ছাত্ৰীসকলৰ খিয়াল ৰাখে, অংশগ্ৰহণ কৰাত অক্ষম বা যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজকে গুৰুত্বহীন বুলি ভাবিব পাৰে তেওঁলোকৰ প্ৰতি বিশেষ মনোযোগ দিয়ে।
- **আত্মমৰ্যদাক গুৰুত্ব দিয়া (Focus on self-esteem)** ঃ নিজক লৈ সন্তুষ্ট হ'ব পৰা জনেই ভাল নাগৰিক। তেওঁলোকৰ আত্ম সন্মানবোধ থাকে, নিজৰ সক্ষমতা আৰু দুৰ্বলতা নিজে জানে, অন্য মানুহৰ লগত (ঘৰুৱা অৱস্থা নিৰ্বিশেষে) ইতিবাচক সুসম্পৰ্ক গঢ়ি তোলাৰ দক্ষতা থাকে। তেওঁলোকে নিজক আৰু অইনকো সন্মান কৰে। সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত শিক্ষক হিচাপে আপোনাৰ লক্ষণীয় প্ৰভাৱ থাকিব পাৰে। আপোনাৰ এই ক্ষমতাৰ প্ৰতি সাৱধান হওক আৰু ছাত্ৰ-ছাত্ৰীৰ আত্মসন্মানবোধ গঢ়ি তোলাত ইয়াক ব্যৱহাৰ কৰক।
- **নমনীয়তা (Flexibility)** ঃ বিশেষ ধৰণৰ ছাত্ৰ-ছাত্ৰী (দল নতুবা ব্যক্তি )ৰ বাবে যদি আপোনাৰ শ্ৰেণীকোঠাত কিবা এটা কৰা হোৱা নাই তেন্তে আপোনাৰ পৰিকল্পনা সলনি কৰিবলৈ বা কামটো বন্ধ কৰি দিবলৈ প্ৰস্তুত থাকিব। সকলো ছাত্ৰ-ছাত্ৰীকে ফলপ্ৰসূভাৱে জড়িত কৰাবৰ বাবে আপোনাৰ নমনীয়তাই আপোনাক সক্ষম কৰি তুলিব।

## সকলো সময়তে পদ্ধতি ব্যৱহাৰ কৰিব পাৰে (Approaches you can use all the time)

- **আদৰ্শ আচৰণৰ প্ৰকাশ (Modelling good behaviour) ঃ** সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সজ আচৰণ দেখুৱাই আপুনি আদৰ্শ হওক। গোষ্ঠী, ধৰ্ম নাইবা লিংগ নিৰ্বিশেষে আপুনি এই আচৰণ দেখুৱাওক। সকলো ছাত্ৰ-ছাত্ৰীক সন্মান সহকাৰে ব্যৱহাৰ কৰক আৰু আপোনাৰ শিক্ষণ কালত আপুনি যে সকলো ছাত্ৰ-ছাত্ৰীক সমানে মূল্য দিছে সেইটো স্পষ্ট কৰি তোলক। তেওঁলোক সকলোৰে লগত সন্মান সহকাৰে কথা পাতক, তেওঁলোকৰ মতামতক গুৰুত্ব দিয়ক আৰু শ্ৰেণীত সকলোৰে লাভ হোৱাকৈ কোনো কামৰ দায়িত্ব ল'বলৈ তেওঁলোকক উৎসাহিত কৰক।
- **উচ্চ আকাংখা (High expectations) ঃ** দক্ষতা কেতিয়াও স্থিৰ হৈ নাথাকে। সঠিকভাৱে সহায় সমৰ্থন পালে ছাত্ৰ-ছাত্ৰীসকলে শিকিব আৰু আগবাঢ়ি যাব পাৰে। আপুনি শ্ৰেণীত কৰোৱা কামটো যদি কোনো এজন ছাত্ৰ-ছাত্ৰীয়ে বুজিবলৈ টান পাইছে তেন্তে আপুনি নাভাবিব যে তেওঁলোকে কেতিয়াও বুজি নাপাব। শিক্ষক হিচাপে আপোনাৰ দায়িত্ব হ'ব প্ৰতিজন ছাত্ৰই শিকিব পৰাকৈ আপুনি কিমান ভালকৈ সহায় কৰিব পাৰে সেইটো কৰাটোহে। শ্ৰেণীৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰাই যদি আপোনাৰ উচ্চ প্ৰত্যাশা আছে তেন্তে ছাত্ৰ-ছাত্ৰীয়ে ধৰি ল'ব লাগিব যে তেওঁলোকে যদি নেৰানেপেৰাকৈ লাগি থাকিব পাৰে তেন্তে শিকিব পাৰিব। আচৰণৰ ক্ষেত্ৰতো উচ্চ প্ৰত্যাশা থকা উচিত। প্ৰত্যাশা স্পষ্ট ভাৱে নিশ্চিত কৰক আৰু চাওক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই যাতে ইজনে সিজনক সন্মান কৰে।
- **আপোনাৰ শিক্ষণ-শিকন প্ৰক্ৰি য়াত বিভিন্ন প্ৰকাৰ ৰাখিব (Build variety into your teaching) ঃ** ছাত্ৰ-ছাত্ৰীয়ে বেলেগ বেলেগ ধৰণে শিকে। কোনোবা এজনে লিখিবলৈ ভাল পায়, অন্য কোনোবাজনে আকৌ নিজৰ চিন্তাবোৰ ছবিৰে প্ৰকাশ কৰি বা কল্পনা কৰি ভাল পায়। কোনোবাজন ছাত্ৰ ভাল শ্ৰোতা আকৌ কোনোবা এজনে নিজৰ ভাব-ধাৰণাৰ বিষয়ে অইনৰ লগত আলোচনা কৰিহে ভালকৈ শিকে। সকলো সময়তে সকলো ছাত্ৰ-ছাত্ৰীকে সমানে উপযোগী কৰি তুলিব নোৱাৰে, কিন্তু আপুনি শ্ৰেণীত বিভিন্ন পদ্ধতিৰে শিকাব পাৰে যাতে সেই শিকন ক্ৰি য়া-কলাপৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে এটা ভাল পোৱা পদ্ধতি গ্ৰহণ কৰিব পাৰে।
- **শিক্ষণৰ লগত দৈনন্দিন জীৱনৰ সংযোগ ঘটোৱা (Relate the learning to everyday life) ঃ** কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত আপুনি শিকাবলৈ বিচৰা কথাবোৰৰ লগত দৈনন্দিন জীৱনৰ কোনো সংগতি বিচাৰি নাপায়। এইটো কৰিবৰ বাবে যেতিয়াই সম্ভৱ হয়, আপুনি পাঠৰ বিষয়বস্তুৰ লগত তেওঁলোকৰ পৰিৱেশ বা ঘৰুৱা জীৱনৰ বিষয়ে মিলাই কওক যাতে তেওঁলোকৰ অভিজ্ঞতা আপুনি উদাহৰণ হিচাপে দিব পাৰে।
- **ভাষাৰ ব্যৱহাৰ (Use of language) ঃ** আপুনি ব্যৱহাৰ কৰা ভাষা সম্পৰ্কে সাৱধানেৰে ভাবক। সদায় ইতিবাচক আৰু প্ৰশংসাসূচক ভাষাহে ব্যৱহাৰ কৰিব। ছাত্ৰ-ছাত্ৰীক গালি নাপাৰিব। তেওঁলোকৰ আচৰণৰ ওপৰতহে মন্তব্য দিব তেওঁলোকৰ ওপৰত নহয়। তুমি আজি মোক বিৰক্ত কৰিছা বুলি কোৱা কথাষাৰ খুউব ব্যক্তি গত ভাবৰ হৈ পৰে। তাতকৈ আপুনি - আজি তোমাৰ ব্যৱহাৰত মই আমনি পাইছোঁ। তুমি মনোযোগ দিবলৈ অসুবিধা পোৱাৰ কাৰণ কি?—এনেধৰণেৰে ক'ব পাৰে। কোনটো বেছি সহায়ক হ'ব চাই লওক।
- **বদ্ধমূল ধাৰণাৰ প্ৰতি প্ৰত্যাহ্বান (Challenge stereotypes) ঃ** বিচাৰহীনভাৱে নাইবা পূৰ্বৰ বদ্ধমূল ধাৰণা বাদ দি ছোৱালীৰ বাবে সমল আৰু ভূমিকা বিচাৰি উলিয়াওক। নাইবা আদৰ্শ মহিলা স্কুললৈ নিমন্ত্ৰণ কৰি আনক। যেনে, ধৰক বিজ্ঞানী মহিলা। আপোনাৰ নিজৰ মনত থকা লিংগভিত্তিক বদ্ধমূল ধাৰণাৰ প্ৰতি সজাগ হওক। আপুনি জানিব পাৰে যে ছোৱালীয়েও খেলে আৰু ল'ৰায়ো প্ৰতিপালন কৰে। কিন্তু বাস্তৱক্ষেত্ৰত আমি সমাজত কৈ থকাৰ বাবেই হওক, আমি এই কথাবোৰ বেলেগকৈহে প্ৰকাশ কৰোঁ বা কওঁ।
- **এটা সুন্দৰ নিৰাপদ শিকন পৰিৱেশ গঢ়ি তোলক (Create a safe, welcoming learning environment) ঃ** স্কুলত সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা নিৰাপদ আৰু ভাল পৰিৱেশ বিচাৰে। আপুনি এনেকুৱা এটা পদবী বা স্থানত আছে য'ৰ পৰা আপুনি প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বন্ধুত্বপূৰ্ণভাৱে আৰু বুজা পৰা তথা সন্মান সহকাৰে মিলিজুলি থকাৰ বাবে উৎসাহিত কৰিব পাৰে আৰু তেওঁলোকক এইবোৰ অনুভৱ কৰাব পাৰে। বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণীকোঠা আৰু বিদ্যালয়খন যে একে তাক

কেনেকৈ ভবাই তুলিব পাৰে চিন্তা কৰক। সিহঁত ক'ত বহিব সোধা উচিতনে ভাবক, আৰু দৃষ্টিশক্তি হীন বা শ্ৰবণ শক্তি হীন বা শাৰীৰিকভাৱে প্ৰত্যাহ্বান থকা ছাত্ৰ-ছাত্ৰীৰ বাবেও ইয়াক নিশ্চিত কৰক যে তেওঁলোকে পাঠ গ্ৰহণৰ বাবে শ্ৰেণীৰ য'তেই ইচ্ছা ত'তেই বহিব পাৰে। লাজকুৰীয়া বা সহজে আৱেগিক হোৱা ছাত্ৰ-ছাত্ৰীক মন কৰি আপুনি সহজতে বহুৱাব পৰা ঠাইত বহুৱাই দিয়ক।

## বিশেষ শিক্ষণ পদ্ধতি (Specific teaching approaches)

সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পৰাকৈ বহুতো বিশেষ শিক্ষণৰ পদ্ধতি আছে। সেইবোৰ আন মূল সমলত বিশদভাৱে বৰ্ণনা কৰা হৈছে। ইয়াত এটা চমু অৱলোকণহে কৰা হৈছে।

- **প্ৰ.ন সোধা (Questioning)** ঃ আপুনি যদি ছাত্ৰ-ছাত্ৰীক হাত ওপৰলৈ দাঙিবলৈ কয় তেন্তে একে কেইজনেহে উত্তৰ দিয়াৰ প্ৰবনতা দেখা যায়। প্ৰ.নৰ উত্তৰ দিয়া আৰু উত্তৰৰ বাবে চিন্তা কৰা কাৰ্যত বেছি ছাত্ৰ-ছাত্ৰীক জড়িত কৰাবৰ বাবে অন্য উপায়ো আছে। আপুনি পোনপটীয়াকৈ একোজন ছাত্ৰ-ছাত্ৰীক প্ৰ.ন সুধিব পাৰে। আপুনি ঘোষণা কৰক যে কোনে উত্তৰ দিব আপুনি সিদ্ধান্ত ল'ব আৰু তেতিয়া পাছৰফালে থকা, কাষত থকা আনকি সন্মুখত থকা সকলকো সোধক। ছাত্ৰ-ছাত্ৰীসকলক ভবাৰ সময় (Thinking time) দিব আৰু বিশেষ একোজন ছাত্ৰ-ছাত্ৰীক নিমন্ত্ৰণ দিয়ক। যুৰীয়া কাৰ্য বা দলগত কাৰ্যৰ জৰিয়তে তেওঁলোকৰ আত্মপ্ৰত্যয় বঢ়াওক যাতে শ্ৰেণীৰ আলোচনাত প্ৰত্যেকেই অংশ গ্ৰহণ কৰিব পাৰে।
- **মান নিৰূপণ (Assessment)** ঃ গঠনাত্মক মান নিৰূপণৰ বাবে কিছু কৌশল নিৰ্ণয় কৰক যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভালকৈ জনাত আপোনাৰ সহায় হয়। সুপ্ত প্ৰতিভা বিকশাই তুলিবৰ বাবে আপুনি সৃষ্টিশীল হোৱা প্ৰয়োজন। গঠনাত্মক মূল্যায়নে আপোনাক সঠিক তথ্য দিব। নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ দক্ষতাৰ প্ৰতি সাধাৰণ দৃষ্টিভংগীৰে সহজতে কৰা মান নিৰূপণতকৈ গঠনাত্মক মান নিৰূপণ ভাল। তেতিয়া আপুনি নিজেও এটা ভাল স্থানত থাকিব আৰু তেওঁলোকৰ ব্যক্তি গত প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত সহাঁৰি দিব পাৰিব।
- **দলগত কাৰ্য আৰু যুৰীয়া কাৰ্য (Groupwork and pair work)** ঃ শ্ৰেণীটোক কেনেকৈ দলত ভাগ কৰিব নাইবা কেনেকৈ যুটীয়াভাৱে ভগাব ভাবক। সকলোকে সামৰি লোৱাকৈ লক্ষ্য স্থিৰ কৰক আৰু প্ৰত্যেকেই প্ৰত্যেককে মূল্য দিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কেনেকৈ উৎসাহিত কৰিব ভাবি লওক। প্ৰত্যেকেই প্ৰত্যেকৰ পৰা শিকিব পৰাৰ সুযোগ পোৱাতো নিশ্চিত কৰক আৰু তেওঁলোকে জনাৰ ভিত্তিতে তেওঁলোকৰ দৃঢ়তা গঢ়ি তোলক। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সৰু দলত প্ৰ.ন সোধা বা নিজৰ ধাৰণাৰ বিষয়ে কোৱাৰ আত্মবি.াস থাকিলেও গোটেই শ্ৰেণীটোৰ সন্মুখত তেনে কৰাৰ আত্ম প্ৰত্যক্ষ নাথাকে।
- **পৃথকীকৰণ (Differentiation)** ঃ ছাত্ৰ-ছাত্ৰীয়ে আৰম্ভ কৰিব পৰা আৰু তাৰ পৰা আগবাঢ়ি যাব পৰাকৈ বিভিন্ন দলৰ বাবে বিভিন্ন কাম ঠিক কৰক। মুকলিভাৱে শেষ কৰিব পৰা কামে ছাত্ৰ-ছাত্ৰীক কৃতকাৰ্যতাৰ সুযোগ দিয়ে। নিজৰ কামৰ নিজেই স্বত্বাধিকাৰী বুলি ভাবিবৰ বাবে ছাত্ৰ-ছাত্ৰীক কাম বাছি লোৱাৰ সুবিধা দিয়ক। ছাত্ৰ-ছাত্ৰীৰ নিজৰ শিকন আৰু দায়িত্ববোধৰ বাবেও এনে কৰাৰ প্ৰয়োজন। ব্যক্তি গত শিকনৰ বাবে ডাঙৰ শ্ৰেণীত অসুবিধা হয় কিন্তু বিভিন্ন ধৰণৰ কাম আৰু ত্ৰি য়াকলাপৰ জৰিয়তে এনে শিকন সম্ভৱ কৰিব পাৰি।

# Additional resources

- Children's Book Trust India: http://www.childrensbooktrust.com/
- Karadi Tales: http://www.karaditales.com/
- National Book Trust India: http://www.nbtindia.gov.in/
- NCERT textbooks: http://www.ncert.nic.in/NCERTS/textbook/textbook.htm
- Teachers of India classroom resources: http://www.teachersofindia.org/en

# References/bibliography

Bromley, H. (2000) *Book-based Reading Games*. London: Centre for Literacy in Primary Education.

Bryant, P. and Nunes, T (eds) (2004) *Handbook of Children's Literacy*. Dordrecht: Kluwer Academic Publishers.

Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Goswami U. (2010a) 'Phonology, reading and reading difficulties', in Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) *Interdisciplinary Perspectives on Learning to Read*. London: Routledge.

Goswami U. (2010b) 'A psycholinguistic grain size view of reading acquisition across languages', in Brunswick, N., McDougall, S. and Mornay-Davies, P. (eds) *The Role of Orthographies in Reading and Spelling*. Hove: Psychology Press.

Graham, J. and Kelly, A. (2012) *Reading under Control: Teaching Reading in the Primary School*, 3rd edn. London: Routledge.

Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) (2010) *Interdisciplinary Perspectives on Learning to Read: Culture, Cognition and Pedagogy*. London: Routledge.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Images are courtesy of Suman Bhatia.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.